# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-02-2026
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

০০০০০০০

চাৰিদিনীয়া কাৰ্যসূচীৰে কালিৰেপৰা দিছপুৰত অনুষ্ঠিত পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৰেশনত আজি ২০২৬-২৭ বৰ্ষৰ অন্তৰৰ্তী লেখানুদান উত্থাপন কৰা হ'ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তমন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰি দিয়া হ'ব।

উল্লেখযোগ্য যে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে কালি অসম বিধান সভাৰ অধিবেশন আৰম্ভ হয়। ৰাজ্যপালগৰাকীয়ে নিজৰ ভাষণত অসমৰ অৰ্থনৈতিক যাত্ৰাপথৰ বিষয়ে আলোকপাত কৰে। ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ২০২৫-২৬ বিত্তীয় বৰ্ষত ৭ লাখ কোটি টকা অতিক্ৰম কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

বিধানসভাৰ অন্তিমখন বাজেট অধিবেশনৰ কাম-কাজ আৰম্ভ হোৱাৰ সময়তে কংগ্ৰেছ, এ আই ইউ ডি এফ, ৰাইজৰ দল, চি পি আই এমৰ সদস্যসকলে সদনৰ মজিয়ালৈ উঠি আহি শ্ল'গান দিয়াৰ লগতে প্লেকাৰ্ড প্ৰদৰ্শন কৰে। বিৰোধী সদস্যসকলে অধ্যক্ষৰ আসনৰ সন্মুখত বহি ৰাজ্যপালৰ ভাষণৰ প্ৰতিবাদ সাব্যস্ত কৰে। ৰাজ্যপালৰ ভাষণৰ পাছতে অধ্যক্ষই দিনৰ ১২ বজালৈ বিধানসভাৰ কাম-কাজ স্থগিত ঘোষণা কৰে। ১২ বজাত সদন পুনৰ মিলিত হোৱাত বিত্তমন্ত্ৰী অজন্তা নেওগে বিত্ত বিভাগৰ দুখন ৰাজপত্ৰিত অধিসূচনাৰ লগতে ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষৰ প্ৰশাসনীয় প্ৰতিবেদন দাখিল কৰে। ইয়াৰ পাছতে মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয় সংশোধনী অধ্যাদেশ ২০২৬ আৰু মন্ত্ৰী যোগেন মহনে সমবায় বিভাগৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন দাখিল কৰে। মন্ত্ৰী নন্দিতা গাৰ্লোছাই ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ ২০২৩-২৪ বিত্তীয় বিভাগৰ প্ৰশাসনীয় প্ৰতিবেদন আৰু মন্ত্ৰী প্ৰশান্ত ফুকনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ প্ৰশাসনীয় প্ৰতিবেদন দাখিল কৰে। ইয়াৰ পাছতে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন আৰু সমৰ্থন কৰা হয়। মন্ত্ৰী অজন্তা নেওগে ২০২৫-২৬ বৰ্ষৰ মঞ্জুৰিৰ বাবে পৰিপূৰক দাবী আৰু বিনিয়োজনসমূহ উত্থাপন কৰে। ইয়াৰ পাছতে বিধানসভাৰ কালিৰ দিনটোৰ কাৰ্যক্ৰমণিকাৰ অন্ত পৰে।

০০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি ডিফুত কাৰ্বি আংলং, ডিমা হাচাও আৰু পশ্চিম কাৰ্বি আংলঙৰ মুঠ এহেজাৰ ৯৪৬ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে ডিফুৰ কে এ এছ এ ক্ৰিকেট ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডঃ তুলিৰাম ৰংহাং আৰু মন্ত্ৰী নন্দিতা গাৰ্লোচাই অংশ ল'ব। আঁচনিখনৰ দ্বিতীয় পৰ্যায়ত কাৰ্বি আংলং জিলাৰ এহেজাৰ দুগৰাকী, ডিমা হাচাওৰ ৪৮৭ গৰাকী আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ ৪৫৭ গৰাকী উদ্যোগীৰ মাজত আৰ্থিক সাহায্য বিতৰণ কৰা হ'ব।

০০০০০০০

কার্বি জনগোষ্ঠীৰ কলাকৃষ্টিৰ সংৰক্ষণ প্ৰচাৰ আৰু প্ৰসাৰৰ লক্ষ্যৰে কালিৰেপৰা কাৰ্বি আংলং জিলাৰ ডিফুৰ সমীপৰ তাৰালাংছ'ত পাঁচদিনীয়া কাৰ্যসূচীৰে ৫২ সংখ্যক কাৰ্বি যুৱ মহোৎসৱ অনুষ্ঠিত হৈছে। কাৰ্বি লোকনৃত্য, গীত, সাজপাৰ আৰু পৰম্পৰাগত খেল-ধেমালিৰ সংৰক্ষণ, সংবৰ্ধন আৰু প্ৰসাৰৰ বাবে কাৰ্বি সাংস্কৃতিক সমাজৰ উদ্যোগত এই যুৱ মহোৎসৱৰ আয়োজন কৰি অহা হৈছে। কালি আৰম্ভণিতে চাৰি সহস্ৰাধিক শিল্পীৰ অংশগ্ৰহণেৰে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। মহোৎসৱত হাংগেৰী আৰু টাইৱানৰ ৰাষ্ট্ৰদূত দুগৰাকীয়ে অংশ লৈছে। কেৰালা আৰু অন্ধ্ৰপ্ৰদেশৰ সাংস্কৃতিক গৱেষকৰ এটা দলেও এই মহোৎসৱত ভাগ লৈছে।

এইবাৰ কাৰ্বি যুৱ মহোৎসৱত খিলঞ্জীয়া ৰন্ধনশৈলী, খাদ্যসম্ভাৰ, বাঁহ-বেতৰ শিল্পৰ প্ৰদৰ্শনী আদিৰ আয়োজন কৰা হৈছে। জিলাখনৰ কাৰ্বি সাংস্কৃতিক সমাজৰ মাণ্ডলিক সমিতিৰ উপৰি অৰুণাচল প্ৰদেশ, মেঘালয় তথা অসমৰ ডিমা হাচাও, নগাঁও, হোজাই আৰু বিশ্বনাথ জিলাৰ মাণ্ডলিক সমিতিৰ যুৱক-যুৱতীসকলে এই মহোৎসৱত অংশ লৈছে বুলি উদ্যোক্তাসকলে জনাইছে। তদুপৰি এই মহোৎসৱত

এই মহোৎসৱৰ সন্দৰ্ভত এয়া কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদসন্য ডº তুলিৰাম ৰংহাং –

***ভইচকাষ্ট***

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড়ৰ মানকটা খেলপথাৰত কাইলৈ হ'বলগীয়া বিজেপিৰ পৃষ্ঠাপ্ৰমুখ সন্মিলনৰ প্ৰস্তুতিৰ বুজ লয়। দলটোৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে অংশগ্ৰহণ কৰিবলগীয়া এই সন্মিলনৰ প্ৰস্তুতিৰ বুজ লয় শ্ৰীসোণোৱালে দলীয় কৰ্মকৰ্তাসকলক উৎসাহিত কৰে। সভাস্থলী পৰিদৰ্শন কৰাৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগত বিজেপিৰ অসম ৰাজ্যিকৰ প্ৰভাৰী হৰিশ দ্বিবেদী, ৰাজ্যিক কমিটীৰ সম্পাদক ঋতুপৰ্ণ বৰুৱাকে ধৰি কেইবাজনো ৰাজ্যিক নেতা উপস্থিত থাকে।

০০০০০০০

অসম গণ পৰিষদৰ মাজুলী জিলা সমিতিৰ উদ্যোগত জিলাখনৰ গড়মূৰৰ বংশী গোপাল নাট্য মন্দিৰত কালি দলটোৰ বুথ সন্মিলন অনুষ্ঠিত হয়। অগপৰ জ্যেষ্ঠ নেতা তথা সাংসদ ফণীভূষণ চৌধুৰী আৰু বীৰেন্দ্ৰপ্ৰসাদ বৈশ্যই এই সন্মিলনত অংশগ্ৰহণ কৰে। সন্মিলনত অগপৰ মাজুলী বিধান সভা সমষ্টি সমিতিৰ সভাপতি ব্ৰজেন গামৰ লগতে দলটোৰ কেইবাগৰাকীও কেন্দ্ৰীয় বিষয় ববীয়াই অংশগ্ৰহণ কৰে।

০০০০০০০

**সমাপ্ত**